# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

আজি বিশ্ব জল দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে পানী সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতিশ্ৰুতি সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰবাসীক আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে পানী সংৰক্ষণৰ গুৰুত্বপূৰ্ণ ভিডিঅ' এটা শ্বেয়াৰ কৰি কয় যে, পানী হৈছে সভ্যতাৰ জীৱনৰেখা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে ইয়াক সুৰক্ষিত কৰি ৰখা উচিত।

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সৈতে যুটীয়া প্ৰচেষ্টাত প্ৰতিষ্ঠানটোৰ সভাগৃহত দুদিনীয়াকৈ বিশ্ব জলদিৱস কাৰ্যসূচী পালন কৰিছে। জৈৱ বৈচিত্ৰৰ কোনো ক্ষতি নোহোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ জলশক্তি ব্যৱহাৰ কৰি বিজুলী উৎপাদন কেনেদৰে কৰিব পাৰি এই সন্দৰ্ভত কাৰ্যসূচীত আলোচনা কৰা হৈছে। আলোচনাত আই আই টি গুৱাহাটীৰ উপৰি দিল্লী আই আই টি, ৰুৰকি আই আই টি আৰু ভাৰতবৰ্ষৰ কেইবাখনো অভিযান্ত্ৰিক বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়তো ভূগোল বিভাগৰ উদ্যোগত বিশ্ব জল দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোলকীয় উত্তাপ বৃদ্ধি আৰু হিমবাহসমূহৰ খহনীয়াৰ আন্তঃসম্পৰ্ক বিশ্লেষণ কৰি পানীৰ ব্যৱহাৰৰ ক্ষেত্ৰত আহিব পৰা সংকট প্ৰতিৰোধ কৰিবলৈ বিভিন্ন উপায়ৰ বিষয়ে আজিৰ কাৰ্যসূচীত আলোচনা কৰা হয়। ধেমাজি জিলাতো ধেমাজি জন স্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত চিলাপথাৰ মহাবিদ্যালয়ত পৰিষ্কাৰ পানীৰ বহনক্ষম ব্যৱহাৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে প্ৰতি বছৰে ২২ মাৰ্চৰ দিনটো বিশ্ব জল দিৱস হিচাপে পালন কৰা হয়। ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিয়'ত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি ১৯৯৩ চনৰ পৰা প্ৰতি বছৰে এই দিৱস পালন কৰা হৈছে।

০০০০০

জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ সমৰ্থনত আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ ৰাজ্যখনৰ জনসাধাৰণক অনাৱশ্যকীয় সকলো বিদ্যুৎচাকি বন্ধ কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে। ১৯০ খনতকৈও অধিক দেশত পালন কৰা ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত এই বছৰ সকলোৰে বাবে পানী শীৰ্ষক বিষয়বস্তুত গুৰুত্ব দিয়া হৈছে। আন্তৰ্জাতিক জল দিৱসৰ সৈতে সংগতি ৰাখি শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু পানী সংৰক্ষণৰ মাজত সংযোগ সৃষ্টি কৰিবলৈ এইবাৰৰ ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত চেষ্টা চলোৱা হৈছে। World Wide Fund for Nature চমুকৈ WWF INDIA নামৰ সংস্থাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচী সফল কৰিবলৈ ভাৰত চৰকাৰে এই এঘণ্টা ব্যক্তিগত ব্যৱসায়িক আৰু অন্যান্য সংস্থাসমূহক পৰিৱেশ বহনক্ষমতা ৰক্ষাৰ বাবে প্ৰতিকীভাৱে এই কাৰ্য কৰিবলৈ আহ্বান জনাইছে। এনে ধৰণৰ সৰু অথচ গুৰুত্বপূৰ্ণ পদক্ষেপে জলবায়ু পৰিৱৰ্তন ৰোধ আৰু শক্তি সংৰক্ষণৰ অভ্যাস গঢ় দিয়াৰ

ক্ষেত্ৰত জনসাধাৰণক সহায় কৰিব বুলিও চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। বজালী জিলাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু যোৰহাটত জিলা প্ৰশাসনে ধৰিত্ৰী ঘণ্টা পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

ধৰিত্ৰী ঘণ্টাৰ এই বিশ্বজোৰা কাৰ্যসূচী পালন কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয়-

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি বিধানসভা সমষ্টিত ৰূপায়িত বিভিন্ন প্ৰকল্প, আঁচনি তথা অন্যান্য উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই বৈঠকত মন্ত্ৰীসভাৰ বৈঠকত ধেমাজি জিলাৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। তদুপৰি জিয়াঢল, মৰিঢল, গাইনৈৰ সুঁতিয়ে সৃষ্টি কৰা বান পৰিস্থিতি, ধেমাজি নগৰত সন্মিলন কেন্দ্ৰ নিৰ্মাণ, নলা-নৰ্দমা নিৰ্মাণ, ধেমাজি আৰু গোগামুখ চক্ৰত সীমা সমস্যা সমাধানকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত লোকনিৰ্মাণ, জলসম্পদ, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, স্বাস্থ্য, কৃষিকে ধৰি বিভিন্ন বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পৰো অগ্ৰগতিৰ বুজ লয়। ইয়াৰ লগতে জোনাইৰ পৰা মাজুলীলৈ পথযুক্ত মথাউৰিৰ উন্নীতকৰণ, অসম মালা আঁচনিৰ অধীনত বিভিন্ন পথ নিৰ্মাণ আৰু মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনি ৰূপায়ণৰো তেওঁ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ধেমাজিত চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল, সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ ভৱন আৰু সংহত ক্ৰীড়া প্ৰকল্পকে ধৰি কাম-কাজ চলি থকা আঁচনি আৰু প্ৰকল্পসমূহ দ্ৰুতগতিত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱাৰ উপৰি শীৰ্ষ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত